**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-10-2024
**Time :** 07-55 Hrs

***Assamese Morning Bulletin***
**::::::::::::::::::::::::::::::::::::::::**

ৰাজ্য চৰকাৰৰ এক লাখ নিযুক্তিৰ প্ৰতিশ্ৰুতিৰ অংশ হিচাপে আজি পুনৰ নিযুক্তি সমাৰোহৰ আয়োজন কৰা হৈছে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল প্ৰেক্ষাগৃহত শিক্ষা বিভাগৰ ২৮৪ গৰাকী আৰু স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ ১০১ গৰাকী প্ৰাৰ্থীক আজি নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষা মন্ত্ৰী ডা০ ৰণোজ পেগু উপস্থিত থাকিব। উল্লেখযোগ্য যে যোৱা ২৬ ছেপ্তেম্বৰ পৰ্যন্ত এক লাখ ২৪ হাজাৰ ৬৪৫ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হৈছিল। আজিৰ এই নিযুক্তিৰ পাছতে মুঠ নিযুক্তিৰ সংখ্যা ১ লাখ ২৫ হাজাৰ ৩০লৈ বৃদ্ধি পাব। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰি কয় যে ৰাজ্য চৰকাৰ জনসাধাৰণৰ আস্থা আৰু বিশ্বাসৰ মূল্য দিয়াৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ আৰু ১ লাখ নিযুক্তি অতিক্ৰম কৰাটোৱে এই কথাকে প্ৰমাণ কৰে।

০০০০০০০

শাৰদীয় দুৰ্গা পূজালৈ মাজত মাত্ৰ এটা দিন বাকী থকা অৱস্থাত ৰাজ্যজুৰি উলহ-মালহৰ পৰিবেশে বিৰাজ কৰিছে। কালি দুপৰীয়া ভাগৰে পৰা বতৰ কিছু ফৰকাল হোৱাৰ পৰিপ্ৰেক্ষিতত জনসাধাৰণৰ মাজত উৎসাহৰ সঞ্চাৰ হৈছে। কালি নৱৰাত্ৰিৰ চতুৰ্থ দিনা দেৱী দুৰ্গাক কুষ্মাণ্ডা ৰূপত পূজা কৰা হয়। দেৱীৰ এই ৰূপে সুস্বাস্থ্য, ইতিবাচক শক্তি আৰু প্ৰাণোচ্ছল জীৱনৰ বাবে প্ৰেৰণা দিয়ে বুলি বিশ্বাস কৰা হয়।

আনহাতে, ৰাজ্যৰ বিভিন্ন প্ৰান্তত প্ৰতিকূল বতৰকো নেওচি পূজাৰ প্ৰস্তুতি অব্যাহত আছে। গুৱাহাটী মহানগৰীৰ পূজা মণ্ডপসমূহ সজাই তোলাৰ বাবে আয়োজকসকল ব্যস্ত হৈ পৰিছে। মহানগৰীত স্বচ্ছ দুৰ্গা পূজা প্ৰতিযোগিতা সন্দৰ্ভত আজি পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াই উজান বজাৰত থকা গুৱাহাটী পৌৰ নিগমৰ কাৰ্যালয়ত এখন সংবাদমেল সম্বোধন কৰিব।

ইপিনে, ৰাজ্য চৰকাৰে দ্বিতীয়বাৰলৈ বিভিন্ন জিলাৰ পুৰণি দুৰ্গা পূজা সমিতিসমূহক আৰ্থিক সাহায্য প্ৰদান কৰাৰ ব্যৱস্থা কৰিছে। সেই অনুসৰি প্ৰতিখন জিলাত আয়ুক্তসকলে প্ৰস্তুত কৰা তালিকাৰ ভিত্তিত বেংক একাউণ্টৰ জৰিয়তে এই ধনৰাশি মোকলাই দিয়া হ'ব।

ইফালে, ৰাজ্য চৰকাৰে চাহ বাগিচাৰ শ্ৰমিক-কৰ্মচাৰীসকলক ২০ শতাংশ পূজাৰ বনাচ আগবঢ়াবলৈ সিদ্ধান্ত লৈছে। ইয়াৰ দ্বাৰা ৰাজ্যৰ ৮ শতাধিক চাহ বাগিচাৰ ১০ লাখৰো অধিক শ্ৰমিক-কৰ্মচাৰী উপকৃত হ'ব। এই বনাচ আদায়ৰ বাবে ৰাজ্য চৰকাৰে ৭৮ কোটিৰো অধিক টকা ব্যয় কৰিব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে।

০০০০০০০

ৰাজ্য চৰকাৰে আজি কৃষি যন্ত্ৰপাতি আৰু ভূমি স্বাস্থ্য-পত্ৰ বিতৰণৰ লগতে কৃষি জ্ঞান কেন্দ্ৰ মুকলি অনুষ্ঠানৰ আয়োজন কৰিছে। গুৱাহাটীৰ পাঞ্জাবাৰীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আজি হ'বলগীয়া এই

অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগতে কৃষিমন্ত্ৰী অতুল বৰা উপস্থিত থাকিব। এই অনুষ্ঠানত কৃষি যান্ত্ৰিকীকৰণৰ উপ অভিযানৰ অধীনত ২৫০টা কৃষক গোটৰ লগতে দুহেজাৰ ৪৯০ গৰাকী কৃষকলৈ ট্ৰেক্টৰ, পাৱাৰ টিলাৰ, কঠীয়া ৰোপণ যন্ত্ৰকে ধৰি বিভিন্ন যন্ত্ৰপাতি বিতৰণৰ শুভাৰম্ভ কৰা হ'ব। অনুষ্ঠানত কৃষকৰ মাজত চাৰি লাখতকৈও অধিক সংখ্যক ভূমি স্বাস্থ্য-পত্ৰ বিতৰণ কৰাৰ লগতে ২১ টা কৃষি জ্ঞান কেন্দ্ৰও মুকলি কৰা হ'ব।

০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত বাওপন্থী সন্ত্ৰাসবাদৰ দ্বাৰা প্ৰভাৱিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰিব। অন্ধ্ৰপ্ৰদেশ, বিহাৰ, চত্তিশগড়, ঝাৰখণ্ড, তেলেংগানা, ওড়িশা, মহাৰাষ্ট্ৰ আৰু মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰীসকলে এই বৈঠকত অংশগ্ৰহণ কৰিব। বাওপন্থী সন্ত্ৰাসবাদৰ দ্বাৰা প্ৰভাৱিত ৰাজ্যসমূহৰ বিকাশত সমৰ্থন আগবঢ়োৱা কাৰ্যৰ সৈতে বিশেষভাৱে জড়িত ৫ গৰাকী কেন্দ্ৰীয় মন্ত্ৰী বৈঠকত উপস্থিত থাকিব। তদুপৰি বৈঠকত ৰাষ্ট্ৰীয় সুৰক্ষা উপ-পৰামৰ্শদাতাৰ লগতে কেন্দ্ৰ, ৰাজ্য তথা কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ শীৰ্ষ বিষয়াসকলেও অংশগ্ৰহণ কৰিব। গৃহ মন্ত্ৰালয়ৰ এটা বিবৃতিত প্ৰকাশ কৰা অনুসৰি কেন্দ্ৰীয় চৰকাৰ ২০২৬ চনৰ মাৰ্চৰ ভিতৰত বাওপন্থী সন্ত্ৰাসবাদ সম্পূৰ্ণৰূপে নিৰ্মূল কৰিবলৈ বদ্ধপৰিকৰ। কেন্দ্ৰই এনে ৰাজ্যসমূহক  নক্সালবাদৰ বিৰুদ্ধে যুঁজ দিবলৈ যাৱতীয় সহযোগিতা আগবঢ়াইছে বুলিও বিবৃতিটোত প্ৰকাশ কৰা হৈছে।

০০০০০০০

গোলাঘাটৰ ৩৯ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ নামবৰ হাবিত কালি সন্ধিয়া সংঘটিত এটা পথ দুৰ্ঘটনাত এজন লোক থিতাতে নিহত হয়। এখন ট্ৰাক আৰু এখন হোণ্ডাই ভেনু গাড়ীৰ মুখামুখি খুন্দাৰ ফলত গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ অধ্যাপক হৰমিত সিঙৰ মৃত্যু হয়। আনহাতে দুৰ্ঘটনাটোত অধিবক্তা ৰক্তপ্ৰবাল গগৈ গুৰুতৰভাৱে আহত হয়।

০০০০০০০

গোৱালিয়ৰত কালি নিশা অনুষ্ঠিত তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত ভাৰতে বাংলাদেশক ৭ উইকেটত পৰাস্ত কৰে। ১২৮ ৰানৰ লক্ষ্য অনুসৰণ কৰি ভাৰতে ১১ অভাৰ ৫টা বলত খেলখনত জয় লাভ কৰে। ভাৰতৰ হৈ সঞ্জু ছেমছন আৰু সূৰ্য কুমাৰ যাদৱে ২৯ ৰানকৈ সংগ্ৰহ কৰাৰ বিপৰীতে হাৰ্দিক পাণ্ডিয়াই ১৬টা বলত ৩৯ ৰান সংগ্ৰহ কৰি অপৰাজিত হৈ থাকে। বাংলাদেশৰ হৈ মুস্তাফিজুৰ ৰহমান আৰু মেহিদী হাছান মিৰাজে এটাকৈ উইকেট সংগ্ৰহ কৰে। ইয়াৰ পূৰ্বে বেট ধৰি বাংলাদেশে আটাইকেইটা উইকেট হেৰুৱাই ১২৭ ৰান সংগ্ৰহ কৰে। মেহিদী হাছান মিৰাজে বাংলাদেশৰ হৈ সৰ্বাধিক ৩৫ ৰান সংগ্ৰহ কৰে। ভাৰতৰ অশদীপ সিং আৰু বৰুন চক্ৰৱৰ্তীয়ে তিনিটাকৈ উইকেট সংগ্ৰহ কৰে। অশদীপ সিঙক প্লেয়াৰ অব দ্যা মেছ ঘোষণা কৰা হয়। শৃংখলাটোৰ দ্বিতীয়খন খেল অহা বুধবাৰে নতুন দিল্লীৰ অৰুণ জেটলী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত সন্ধিয়া ৭ বজাৰ পৰা অনুষ্ঠিত হ'ব।

০০০০০০০

**সমাপ্ত**